


# ম'ল ফ্লেণ্ডাৰছ্ ঃ প্ৰতিকূল সময় আৰু অকলশৰীয়া নাৰীৰ স্থিতি

সাহিত্যৰ ৰূপৰেখা

ড° নিভাৰাণী ফুকন



**এগৰাকী** অকলশৰীয়া নাৰীৰ বাবে সন্মানজনকভাৱে সমাজত জীয়াই থকাটো এটা প্ৰত্যাহ্বান স্বৰূপ। সি অতীতেই হওক বা বৰ্তমানেই হওক এই কথাষাৰ সততে অস্বীকাৰ কৰিব নোৱাৰি। অষ্টাদশ শতিকাৰ ইংলণ্ডৰ সমাজ জীৱন আৰু সেই সমাজখনত নাৰীৰ যি স্থিতি, তাৰ আধাৰত বিচাৰ কৰিলে পৰিয়াল-পৰিজনহীন, গৃহহীন, পৰিচয়হীন ম'ল ফ্লেণ্ডাৰছৰ নিচিনা সুগঢ়ী যুৱতী নাৰীৰ যি স্থিতি সেয়া নিঃসন্দেহে চিন্তা কৰিবলগীয়া বিষয়। সামাজিক জীৱনত স্থান নোপোৱা, তথাকথিত ভদ্ৰ সমাজৰ দৃষ্টিত হেয় প্ৰতিপন্ন হোৱা নৱ-নাৰীসমূহৰ প্ৰতি সহানুভূতিশীল লেখক ডেনিয়েল ডেফ'ই নিজৰ এই বিশেষ উপন্যাস সৃষ্টিত সেই দুৰ্ভগীয়া শ্ৰেণীটোৰ প্ৰতিনিধিত্বমূলক চৰিত্ৰ ম'লৰ মাজেদি সেই শ্ৰেণীৰ মৰ্মবেদনা আৰু হতাশাগ্ৰস্ত ৰূপৰ সূক্ষ্ম চিত্ৰণ কৰিছে। পিছে প্ৰতিকূলতাৰ মাজতো সকাৰাত্মক দৃষ্টিভংগী গ্ৰহণ কৰা এই গৰাকী ইংৰাজ লেখকে সমাজৰ নিম্নতম স্তৰত অৱস্থান কৰা সেই লোকসকলে জীৱনৰ প্ৰত্যেকটো স্তৰত বস্তুবাদী সমাজ চিন্তাই তেওঁলোকৰ সন্মুখত থিয় কৰোৱা প্ৰত্যাহ্বানমুখৰ পৰিস্থিতিসমূহ মূল্যাংকন কৰিবলৈ প্ৰয়াস কৰিছে। লেখকৰ সেই মূল্যায়নৰ মাজেদি সমসাময়িক সমাজৰ শুভ-অশুভ ভালেকেইটা দিশ তথা সামাজিক জীৱনৰ বিভিন্ন স্তৰত বিচৰণ কৰা ভিন্ন চৰিত্ৰ, ভিন্ন মানসিকতাৰ লোকৰ বাস্তৱ চিত্ৰণ ঘটিছে।

ম'ল ফ্লেণ্ডাৰছ নামৰ নাৰী চৰিত্ৰটো আৰু তেওঁ বিচৰণ কৰা সমাজখনৰ সমালোচনাত্মক লেখ আগবঢ়োৱা বে'থ চুৱান, শ্ৰীবিদ্যা স্বামীনাথন আৰু অমৃত সেনে তেওঁলোকৰ লেখাত ম'লে অৱস্থান কৰা সমাজখনৰ মনোজ্ঞ উপস্থাপন কৰিছে। বিশেষকৈ শ্ৰীবিদ্যা স্বামীনাথনৰ লেখাত প্ৰতিকূল পৰিৱেশত বৰ্তি থাকিবলৈ গ্ৰহণ কৰা কৌশল (Survival strategy)- এ ম'লৰ নিচিনা সাহসী নাৰীক অস্তিত্ব বৰ্তাই ৰাখিবলৈ কেনেকৈ সহায় কৰিছিল তাৰ বিশ্লেষণ আগবঢ়াইছে। লংমেন ষ্টাডী এডিছনে প্ৰকাশ কৰা ডেনিয়েল ডেফ'ৰ 'ম'ল ফ্লেণ্ডাৰছ' কিতাপখনত সন্নিবিষ্ট হোৱা শ্ৰীবিদ্যা স্বামীনাথনৰ লেখা Defoe's Alternative Conduct Manual Survival Strategies and temale Networks in Mall flander's'ত উল্লেখ কৰি অহা দিশটো আলোচিত হৈছে। একেটা লেখাতে স্বামীনাথনে এনে এটা প্ৰসংগ উত্থাপন কৰিছে য'ত এগৰাকী নাৰীয়ে অন্য এগৰাকী নাৰীক প্ৰতিকূল পৰিৱেশত বৰ্তি থাকিবলৈ নিৰৱচ্ছিন্ন সহায়-সহযোগিতা আগবঢ়াই থাকে তাৰ মনোজ্ঞ বিশ্লেষণ আগবঢ়াইছে। এই উপন্যাসখনত 'মাডাৰ মিড নাইট' নামৰ চৰিত্ৰটো এনে এটা নাৰী চৰিত্ৰ যিয়ে ম'ল নামৰ নাৰী চৰিত্ৰটোক জীৱনৰ বিপদসংকুল পথত অহৰহ পথ প্ৰদৰ্শিকা ৰূপে সহায়-সহযোগিতা আগবঢ়াই গৈছে। এই সহায়-সহযোগিতা কেৱল নৈতিক সমৰ্থন যোগোৱাত সীমাবদ্ধ নাথাকি অৰ্থনৈতিক সুৰক্ষা তথা সহায়-সহযোগিতা আগবঢ়োৱালৈকো সম্প্ৰসাৰিত হৈছিল। সেইখন সমাজত নাৰীৰ অৰ্থনৈতিক স্থিতি তেওঁৰ বৈবাহিক স্থিতিৰ ওপৰত নিৰ্ভৰশীল আছিল। এই ক্ষেত্ৰত সাধাৰণতে দুটা পৰিস্থিতিয়েই লক্ষ্যণীয় বিবাহোপযোগী বয়সৰ স্বচ্ছল যুৱতীসকলে পাণি প্ৰাৰ্থীৰ বাবে বিশেষ চিন্তা-ভাবনা কৰিবলগীয়া নহৈছিল। তেওঁলোকৰ আৰ্থিক স্বচ্ছলতাই তেওঁলোকক বিবাহৰ বাবে 'উপযুক্ত' কৰি তুলিছিল। বিধৱাসকলৰ ক্ষেত্ৰত যিসকল বয়সীয়া আৰু আৰ্থিক দিশত অস্বচ্ছল, তেওঁলোকে ভৱিষ্যৎ নিৰাপত্তাৰ বাবে উপযুক্ত পাণিপ্ৰাৰ্থী পোৱা নাছিল, পাণিপ্ৰাৰ্থী নোপোৱাটোৱেই স্বাভাৱিক কাৰণ। সেই সময়ত এগৰাকী নাৰীৰ ব্যক্তিত্বতকৈ তেওঁৰ হাতত থকা মুদ্ৰাৰ পৰিমাণেহে তেওঁৰ উপযুক্ততা প্ৰতিপন্ন কৰিছিল। তেওঁলোকতকৈ ভাগ্যৱান আছিল সেইসকল যুৱতী বিধৱা যি আৰ্থিকভাৱে যথেষ্ট স্বচ্ছল আছিল। তেনে যুৱতী বিধৱাক পত্নী হিচাপে লাভ কৰিবলৈ পুৰুষসকল সদা তৎপৰ আছিল। আৱশ্যক হ'লে তেনে পাণিপ্ৰাৰ্থী পুৰুষে প্ৰেমৰ অভিনয় কৰি কপটভাৱে তেনে নাৰীৰ সন্মতি লাভ কৰিবলৈ চেষ্টা চলাইছিল। অপ্ৰিয় হ'লেও সত্য যে সেই সময়ৰ এচাম পুৰুষে সুযোগ সন্ধানী চৰিত্ৰ গ্ৰহণ কৰিছিল। যিবিলাক চতুৰ পুৰুষে স্বচ্ছল বিবাহোপযোগী যুৱতী নাৰীৰ সন্ধানত থাকে। তেনে কোনো নাৰীক নিজৰ জালত বন্দী কৰি তেনে পুৰুষে সম্পত্তিৰ অধিকাৰী হৈছিল। সেই সম্পত্তিৰ সহায়ত পুৰুষে বহুত ক্ষেত্ৰত নিজৰ সামাজিক মান প্ৰতিষ্ঠা উন্নত কৰিছিল। পিছে যিগৰাকী পত্নীয়ে তেওঁক তেনে সন্মানজক স্থিতিত উপনীত কৰাইছিল, তেনে পত্নীক বহুত সময়ত তেনে পুৰুষে যথাযোগ্য সন্মান বা গুৰুত্ব দিছিল নে নাই তাত সন্দেহৰ অৱকাশ নথকা নহয়। তথাপিতো 'ম'ল ফ্লেণ্ডাৰছ' উপন্যাসত যিখন ইংৰাজ সমাজৰ চিত্ৰ অংকন কৰা হৈছে তাত ৰক্ষণশীল পিতৃতান্ত্ৰিক সমাজৰ টুকুৰা চিত্ৰ ফুটি উঠিছে।

পিতৃতান্ত্ৰিক সমাজ বুলি ক'লে স্বাভাৱিকতে আমাৰ মনত এনেকুৱা এক পুৰুষ চৰিত্ৰৰ প্ৰতিমূৰ্তি ভাহি উঠে যি শাৰীৰিকভাৱে সমৰ্থনবান, যাৰ শাৰীৰিক শৌৰ্য আৰু মানসিক দৃঢ়তাই তেওঁৰ পৰিয়ালৰ সকলো সদস্যকে সন্মোহিত কৰি ৰাখে, তাৰ স্পষ্ট দৃষ্টিভংগীয়ে পৰিয়ালৰ কনিষ্ঠকেইগৰাকীক উচিত পথৰ বিধান দিয়ে। পৰিয়ালৰ মুৰব্বী পুৰুষ এগৰাকীৰ এই সকাৰাত্মক ব্যক্তিত্বৰ কথা বিচাৰ কৰিলে এইটো প্ৰত্যক্ষ কৰিবলৈ পোৱা যায় যে ডেনিয়েল ডেফ'ৰ এই বিশিষ্ট উপন্যাস সৃষ্টিত নিজৰ শৌৰ্য আৰু সামাজিক মান-প্ৰতিষ্ঠাক লৈ গৰ্বিতভাৱে কেইটা পুৰুষ চৰিত্ৰ বাস্তৱিকতে সেই পুৰুষ সুলভ ব্যক্তিত্বৰ মান ৰক্ষা কৰিব পৰা নাই। তেওঁলোক কাপুৰুষ ৰূপেহে প্ৰতিপন্ন হৈছে। ম'ল ফ্লেণ্ডাৰছৰূপী 'সামাজিক আহিলা'ৰ মাধ্যমেদি যেন ডেফ'ই তেওঁৰ সমকালীন সমাজত বৰ্তি থকা বহুতো ভণ্ডামী আৰু তথাকথিত সন্মানীয় পুৰুষৰ ফোলোপা স্বৰূপ আৰু পুতৌ লগা স্থিতিক বিদ্ৰুপ আৰু তীৰ্যক সমালোচনা কৰিছে। পিছে, তেওঁ ইমান কৌশলেৰে আৰু কলাত্মকভাৱে শব্দবোৰ গাঁথি গৈছে যে সূক্ষ্মভাৱে গমি নাচালে কোনো সহৃদয় পাঠকে তেওঁৰ সেই তীৰ্যক বাক্যবাণৰ সৌন্দৰ্য বিচাৰ কৰিব নোৱাৰিব।

পৰিস্থিতিয়ে ম'লক তেওঁৰ সতীয়া ভ্ৰাতৃৰ পত্নী কৰিছিল। সেই সত্যটো জনাৰ পাছত নানা কৌশল প্ৰয়োগ কৰি ম'ল ইংলণ্ডলৈ ঘূৰি আহিছিল। ইংলণ্ডলৈ ঘূৰি অহাৰ পাছত আকৌ এবাৰ ম'লৰ জীয়াই থকাৰ সংগ্ৰাম আৰম্ভ হ'ল। সেই সময়ছোৱাত এগৰাকী সম্ভ্ৰান্ত ব্যক্তিৰ লগত ম'লৰ চিনাকি হৈছিল। সেই ব্যক্তিগৰাকী বৈবাহিক জীৱনত অসুখী আছিল। ম'লৰ সহৃদয়াত্মক আচৰণে তেওঁক আকৃষ্ট কৰাত তেওঁ ছবছৰ কাল ম'লক নিজৰ ৰক্ষিতা কৰি ৰাখিলে। জীৱনৰ কুটিলতা আৰু বীভৎসতাত অভ্যস্ত বাস্তৱবাদী ম'লে নিজৰ অৰ্থনৈতিক নিৰাপত্তা আৰু সামাজিক সুৰক্ষাৰ কথা চিন্তা কৰি তেনে এটা প্ৰস্তাৱ গ্ৰহণ কৰি তেওঁৰ লগত সহবাস কৰিছিল। *আগলৈ*

**neevarani11@gmail.com**